**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-12-2024
**Time :** 1340 Hrs

***Assamese Midday Bulletin***
***Headlines***

-----------------------

১। যোৱা নিশা দেহাৱসান ঘটা প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ প্ৰতি ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অন্তিম শ্ৰদ্ধা তৰ্পণ কৰিছে। কাইলৈ সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে ড০ মনমোহন সিঙৰ শেষ কৃত্য সম্পন্ন কৰা হ'ব।

২। দেশ-বিদেশৰ ভালেসংখ্যক নেতাই মনমোহন সিঙৰ মৃত্যুত শোকপ্ৰকাশ কৰিছে।

৩। তেজপুৰ বিশ্ববিদ্যালয়ৰ দ্বাবিংশ সমাৱৰ্তন উৎসৱ আজি অনুষ্ঠিত হয়।

*আৰু*

৪। মেলবৰ্ন টেষ্টৰ আজি দ্বিতীয় দিনাৰ সামৰণিত অষ্ট্ৰেলিয়াৰ প্ৰথম ইনিংছৰ ৪৭৪ ৰানৰ প্ৰত্যুত্তৰত ভাৰতে ৫ উইকেটৰ বিনিময়ত ১৬৪ ৰান সংগ্ৰহ কৰে।

০০০০০০

যোৱা নিশা দেহাৱসান ঘটা প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ নশ্বৰদেহ বৰ্তমান নতুন দিল্লীৰ মতিলাল নেহৰু মাৰ্গত থকা তেওঁৰ বাসগৃহত ৰখা হৈছে আৰু সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে নেতাগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা তৰ্পণ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি প্ৰয়াত প্ৰধানমন্ত্ৰীগৰাকীৰ নশ্বৰদেহত পুষ্পাৰ্ঘ্য নিবেদন কৰি তেওঁৰ প্ৰতি সন্মান জনায়। কংগ্ৰেছ দলৰ সূত্ৰই জনোৱা মতে কাইলৈ ড০ মনমোহন সিঙৰ অন্তিম যাত্ৰা অনুষ্ঠিত হ'ব আৰু তেওঁৰ শেষ কৃত্য সম্পন্ন কৰা হ'ব।

আমাৰ আগৰ বতাৰিতে কোৱা হৈছে যে, যোৱা নিশা ৯ বাজি ৫১ মিনিটত নতুন দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানত ৯২ বছৰ বয়সত বৰ্ষীয়ান নেতাগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ মৃত্যুৰ বাতৰি পোৱাৰ লগে লগে কংগ্ৰেছ নেতা ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী ভাদ্ৰা, কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাকে ধৰি ভালেসংখ্যক গুণমুগ্ধ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানলৈ গৈ প্ৰয়াত নেতাগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা নিবেদন কৰে।

বিশ্বৰ প্ৰসিদ্ধ অৰ্থনীতিবিদসকলৰ অন্যতম ড০ মনমোহন সিঙে ১৯৮২ চনত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ পাছত ১৯৮৫ৰে পৰা ১৯৮৭ চনলৈ পৰিকল্পনা আয়োগৰ উপাধ্যক্ষ হিচাপে দায়িত্ব পালন কৰিছিল। পি ভি নৰসিংহ ৰাও চৰকাৰৰ দিনত বিত্তমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা ড০ সিঙে ১৯৯১ চনৰ অৰ্থনৈতিক উদাৰীকৰণৰ ৰূপকাৰ হিচাপে ভাৰতীয় অৰ্থনীতিত সৰ্বকালৰ সৰ্ববৃহৎ সংস্কাৰ সাধন কৰে। ২০০৪ৰ পৰা ২০১৪

চনলৈ কংগ্ৰেছ নেতৃত্বাধীন ইউ পি এ চৰকাৰৰ সময়ত দুটা কাৰ্যকালৰ বাবে দেশৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ড০ মনমোহন সিং ১৯৯১ চনত প্ৰথমবাৰৰ বাবে অসমৰ পৰা ৰাজ্যসভালৈ নিৰ্বাচিত হৈছিল আৰু ধাৰাবাহিকভাৱে ২৮ বছৰ ধৰি অসমক প্ৰতিনিধিত্ব কৰিছিল।

প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ সিঙৰ বিয়োগত সাতদিনীয়া ৰাষ্ট্ৰীয় শোক ঘোষণা কৰা হৈছে। এই সময়ছোৱাত সকলো চৰকাৰী কাৰ্যালয়, গুৰুত্বপূৰ্ণ অনুষ্ঠান-প্ৰতিষ্ঠান আদিৰ লগতে বিদেশত থকা ভাৰতীয় দূতাবাসসমূহতো ৰাষ্ট্ৰীয় পতাকা অৰ্ধনমিত কৰি ৰখা হ'ব। ইয়াৰ লগতে আমোদ-প্ৰমোদমূলক সকলো চৰকাৰী কাৰ্যসূচীও বন্ধ থাকিব। প্ৰয়াত প্ৰধানমন্ত্ৰীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে সম্পন্ন কৰা হ'ব বুলি ভাৰত চৰকাৰে ইতিমধ্যে ঘোষণা কৰিছে।

অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰাক্তন প্ৰধানমন্ত্ৰী মনমোহন সিঙৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। পুডুচেৰীৰ উপ-ৰাজ্যপাল কে কৈলাশনাথন আৰু মুখ্যমন্ত্ৰী এন ৰংগস্বামীয়ে প্ৰধানমন্ত্ৰীগৰাকীৰ মৃত্যুত শোক প্ৰকাশ কৰে। তেলেংগানাৰ মুখ্যমন্ত্ৰী ৰেবনাথ ৰেড্ডী, মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণন আৰু মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাবীজ, উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰ আদিয়েও প্ৰধানমন্ত্ৰীগৰাকীৰ মৃত্যুত শোক প্ৰকাশ কৰিছে। নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেফিউ ৰিঅ' আৰু পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী, বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰ আৰু ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেনেও প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০

প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোন সিঙৰ মৃত্যুত বিশ্বৰ বিভিন্ন নেতাই শোক প্ৰকাশ কৰিছে। মাৰ্কিন ছেক্ৰেটেৰী অব ষ্টেট এণ্টনি ব্লিংকেনে প্ৰাক্তন প্ৰধানমন্ত্ৰী গৰাকীক ভাৰত-মাৰ্কিন সম্পৰ্কৰ এগৰাকী প্ৰধান খনিকৰ বুলি উল্লেখ কৰে আৰু দুয়ো দেশৰ মাজত কৌশলগত সম্পৰ্ক গঢ়ি তোলাৰ ক্ষেত্ৰত ড০ মনমোহন সিঙৰ ভূমিকাক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। ড০ সিঙে সূচনা কৰা ভাৰতৰ অৰ্থনৈতিক সংস্কাৰ কাৰ্যসূচীৰ বাবেই দেশখনৰ অৰ্থনৈতিক প্ৰগতি ত্বৰান্বিত হৈছিল বুলিও ব্লিংকেনে মন্তব্য কৰে।

ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুলা-দি ছিলভাই তেওঁৰ শোকবাৰ্তাত ভাৰত, ব্ৰাজিল আৰু দক্ষিণ আফ্ৰিকাক অন্তৰ্ভুক্ত কৰি ব্ৰিক্‌ছ গোষ্ঠী গঠনত ড০ মনমোহন সিঙৰ ভূমিকাৰ কথা শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। ভাৰত আৰু ব্ৰাজিলৰ মাজৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক সুদৃঢ় কৰাত ড০ সিঙৰ অৰিহণা ব্ৰাজিল বাসীয়ে সদায়ে মনত ৰাখিব বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁৰ শোকবাণীত উল্লেখ কৰে।

আফগানিস্তানৰ প্ৰাক্তন ৰাষ্ট্ৰপতি হামিদ কাৰ্জাই, মালদ্বীপৰ প্ৰাক্তন ৰাষ্ট্ৰপতি মহম্মদ নাছিদ, নেপানৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ আৰ্জু ৰানা দেউবা আৰু কেইবাখনো দেশৰ নতুন দিল্লীস্থিত ৰাষ্ট্ৰদূত কেইগৰাকীয়েও ড০ মনমোহন সিঙৰ মৃত্যুত শোক প্ৰকাশ কৰিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ডিচেম্বৰত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১৭ সংখ্যক খণ্ড। জনসাধাৰণে এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু পৰামৰ্শ ১৮০০ ১১ ৭৮০০ টোল ফ্ৰী নম্বৰলৈ প্ৰেৰণ

কৰিব পাৰে। নমো এপ নাইবা মাই গ'ভ মুকলি মঞ্চৰ জৰিয়তেও জনসাধাৰণে আজিৰ ভিতৰত নিজৰ পৰামৰ্শ প্ৰেৰণ কৰিব পাৰে। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেৱছাইট আৰু newsonair মোবাইল এপত উপলব্ধ হ'ব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগে এই অনুষ্ঠানৰ লাইভ ষ্ট্ৰিমিং কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ দ্বাবিংশ সমাৱৰ্তন উৎসৱ আজি অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়ৰ কেন্দ্ৰীয় বিদ্যালয় পৰিসৰত অনুষ্ঠিত এই সমাৱৰ্তনত বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ অধ্যক্ষ, অধ্যাপক এম জগদেশ কুমাৰে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। ৰাজ্যপাল তথা বিশ্ববিদ্যালয়ৰ আচাৰ্য লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ সভাপতিত্বত অনুষ্ঠিত এই সমাৱৰ্তনত বিশ্ববিদ্যালয়ৰ পৰা ডিপ্ল'মা লাভ কৰা ১৪ গৰাকী, স্নাতক ডিগ্ৰী লাভ কৰা ৪২৮ গৰাকী, স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা ৭৩৯ গৰাকী আৰু পি এইচ ডি ডিগ্ৰী লাভ কৰা ১৩১ গৰাকী শিক্ষাৰ্থীক আনুষ্ঠানিকভাৱে ডিগ্ৰী প্ৰদান কৰা হয়। ইয়াৰ লগতে বিভিন্ন পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰা ৪৯ গৰাকী শিক্ষাৰ্থীক সোণৰ পদকেৰে সন্মানিত কৰা হয়। সমাৱৰ্তন অনুষ্ঠানৰ পূৰ্বে প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ মৃত্যুত শোক প্ৰকাশ কৰি মৌনতা অৱলম্বন কৰা হয়।

০০০০০০

আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫ আৰু ২৮৯ দশমিক ৯ মিটাৰত কালি দেখা দিয়া আসোঁৱাহ অভিযন্তাসকলে আজি দূৰ কৰিবলৈ সমৰ্থ হৈছে। মিডিয়াম ৱেভত অনুষ্ঠান শুনা শ্ৰোতাসকলে আজি কালিৰ তুলনাত উন্নতমানৰ প্ৰচাৰণ লাভ কৰিছে।  শ্ৰোতাসকলে আমাৰ এই বাতৰি ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শেহতীয়া বা-বাতৰিৰ বাবে আপোনালেকে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০

মেলবৰ্নত অনুষ্ঠিত চতুৰ্থ টেষ্টৰ আজি দ্বিতীয় দিনাৰ সামৰণিত অষ্ট্ৰেলিয়াৰ প্ৰথম ইনিংছৰ ৪৭৪ ৰানৰ প্ৰত্যুত্তৰত ভাৰতে ৫ উইকেটৰ বিনিময়ত ১৬৪ ৰান সংগ্ৰহ কৰে।

ভাৰতৰ হৈ অপেনাৰ যশস্বী জয়ছোৱালে ৮২ ৰান সংগ্ৰহ কৰে। দিনান্তত ভাৰতৰ ঋষভ পণ্টে ৬ আৰু ৰবীন্দ্ৰ জাদেজাই ৪ ৰান কৰি খেলি আছে। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই কালি ৬ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৩১১ ৰানৰ পৰা আজিৰ খেল আৰম্ভ কৰে আৰু ষ্টিভেন স্মিথৰ ১৪০ ৰানৰ সহযোগত দলটোৱে মুঠ ৪৭৪ ৰান সংগ্ৰহ কৰে। যশপ্ৰীত বুমৰাই ৪টা আৰু ৰবীন্দ্ৰ জাদেজাই ৩টা উইকেট দখল কৰে। আজি ভাৰতীয় দলৰ খেলুৱৈসকলে প্ৰাক্তন প্ৰধানমন্ত্ৰী মনমোহন সিঙৰ মৃত্যুত শ্ৰদ্ধা জনাই ক'লা বেজ পৰিধান কৰি খেলপথাৰত নামে।

০০০০০০

ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজত আই চি চি মহিলা ক্ৰিকেট প্ৰতিযোগিতাৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি বডোডৰাৰ কোটাম্বি ষ্টেডিয়ামত চলি আছে। ৱেষ্ট ইণ্ডিজে টছত জিকি প্ৰথমে বেটিং কৰা সিদ্ধান্ত গ্ৰহণ কৰি ৩৮ অভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৬২ ৰান সংগ্ৰহ কৰে। ৱেষ্ট

ইণ্ডিজে ভাৰতক জয়ৰ বাবে নির্ধাৰিত ৫০ অভাৰত ১৬৩ ৰানৰ লক্ষ্য বান্ধি দিয়ে। বাতৰি যুগুটোৱাৰ পৰলৈকে ভাৰতে ১১ অভাৰত ৩টা উইকেট হেৰুৱাই ৬৬ ৰান কৰিছে।

ইতিমধ্যে ভাৰতে প্ৰথম দুখন খেলত জয়লাভ কৰি এই শৃংখলা নিশ্চিত কৰিছে। প্ৰথমখন এদিনীয়াত ঘৰুৱা দলটোৱে ২১১ ৰান আৰু দ্বিতীয়খন এদিনীয়াত ১১৫ ৰানত জয়লাভ কৰে।

০০০০০০

ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ বিভিন্ন অঞ্চলত আজি পুৱাৰ ভাগত পাতলীয়া বৰষুণ হয়। অৱশ্যে কুঁৱলীৰ বাবে মহানগৰখনৰ দৃশ্যমানতা হ্ৰাস পায়। ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ তথ্য অনুসৰি আজি পুৱা ৮ বজাত চফদৰজং ষ্টেচনত সর্বনিম্ন তাপমাত্ৰা ১১ দশমিক ৪ ডিগ্ৰী ছেলচিয়াছ ৰেকৰ্ড কৰা হয়। বতৰ বিজ্ঞান বিভাগে দিল্লীত কাইলৈও ধুমুহাৰ সৈতে বৰষুণ হোৱাৰ পূর্বভাষ প্ৰকাশ কৰিছে।

বৰষুণ হোৱা স্বত্বেও ৰাষ্ট্ৰীয় ৰাজধানীখনৰ বায়ুৰ গুণাগুণ আজিও নিম্নগামী হৈ আছে।

০০০০০০

সমাপ্ত